# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-03-2024

**Time :** 18-45 Hrs.

## *ASSAMESE REGIONAL BULLETIN*

**::::::::::::::::::::::::::::::::::::**

১। দেশৰ নিৰ্বাচন আয়োগৰ কাইলৈ বিয়লি লোকসভা নিৰ্বাচনৰ দিন ঘোষণা। বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা আৰম্ভ।

২। সাংসদ আব্দুল খালেকৰ কংগ্ৰেছৰ প্ৰাথমিক সদস্য পদ ত্যাগ। আম আদমী পাৰ্টীৰ গুৱাহাটী লোকসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ। ডিব্ৰুগড়ত অসম জাতীয় পৰিষদৰ লুৰিণজ্যোতি গগৈক বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থিত্ব প্ৰদান।

৩। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল অসম অভিযানৰ নিৰ্বাচিত উদ্যোগীসকলক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিত্তীয় অনুদান প্ৰদান।

৪। বিকাশ যাত্ৰাৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ হোজাইত কেইবাটাও প্ৰকল্প উদ্বোধন, আধাৰশিলা স্থাপন। *আৰু*

৫। গুৱাহাটীত অনুষ্ঠিত পূব মণ্ডল ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাত অসমৰ ৭ গৰাকী খেলুৱৈৰ ছেমিফাইনেলত প্ৰৱেশ।

০০০

দেশৰ পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ সময়সূচী কাইলৈ ঘোষণা কৰা হ'ব। দেশৰ নিৰ্বাচন আয়োগে মুঠ ৫৪৩ টা লোকসভা সমষ্টিৰ বাবে হ'বলগীয়া এই অষ্টাদশ নিৰ্বাচনৰ বিস্তৃত সময়সূচী কাইলৈ বিয়লি ৩ বজাত ঘোষণা কৰিব বুলি প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে পৰ্যায়ক্ৰমে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয়। নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা পৰ্যায়ত প্ৰশাসনে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। ইপিনে, ইতিমধ্যে বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে। শাসনাধিষ্ঠিত ভাৰতীয় জনতা পাৰ্টীৰ লগতে বিৰোধী দল কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, আম আদমী পাৰ্টীয়ে প্ৰচাৰ অভিযান চলাইছে। অসমতো শাসনাধিষ্ঠিত বিজেপিৰ লগতে কংগ্ৰেছ, আম আদমী পাৰ্টী আৰু বিজেপিৰ

মিত্ৰজোঁট অসম গণ পৰিষদ আৰু ইউ পি পি এলে নিৰ্বাচনী তৎপৰতা চলাইছে। লখিমপুৰ লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱাৰ জয় নিশ্চিত কৰাৰ বাবে মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ বিজেপি নেতা আৰু মিত্ৰজোঁট গণশক্তিৰ নেতাৰ সৈতে আলোচনাত মিলিত হয়। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি যোৰহাটত নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে, বাক্সা জিলাৰ শিমলাত ইউ পি পি এলৰ এখন দলীয় সভা অনুষ্ঠিত হয়। সভাখনত কোকৰাঝাৰ লোকসভা সমষ্টিৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক দলীয় কৰ্মীয়ে আদৰণি জনায়।

০০০

দেশৰ নৱনিযুক্ত নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে আজি কাৰ্যভাৰ গ্ৰহণ কৰে। ভাৰতৰ নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে প্ৰকাশ কৰা মতে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে নিৰ্বাচন সন্দৰ্ভত আয়োজিত এটা অনুষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা নিৰ্বাচন আয়ুক্ত দুগৰাকীক আসন্ন ব্যস্ততাপূৰ্ণ ১২ টা সপ্তাহৰ বাবে আদৰণি জনায়। বিবৃতিটোত প্ৰকাশ পোৱা মতে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ ২০২৪ বৰ্ষৰ লোকসভা নিৰ্বাচন পৰিচালনা কৰাৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগ প্ৰস্তুত হ'বলৈ লোৱাৰ ঐতিহাসিক সময়ছোৱাত নিৰ্বাচন আয়ুক্ত দুগৰাকীয়ে নতুনকৈ কামত যোগদান কৰাটোক মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে গুৰুত্বপূৰ্ণ হিচাপে অভিহিত কৰিছে। শ্ৰী কুমাৰে জানিবলৈ দিয়া মতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাৰে গঠিত এখন পেনেলে কালি গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুক নতুন নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে।

০০০

বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আব্দুল খালেকে আজি কংগ্ৰেছ দলৰ প্ৰাথমিক সদস্য পদ ত্যাগ কৰিছে। সাংসদগৰাকীয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু তত্ত্বাৱধায়কৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে।

ইপিনে, আম আদমী পাৰ্টীয়ে বিৰোধী ঐক্যৰ স্বাৰ্থত গুৱাহাটী লোকসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। গুৱাহাটীত আয়োজিত এখন সংবাদমেলত আজি দলটোৰ অসমৰ তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাই কয় যে, দেশৰ সংবিধান আৰু গণতন্ত্ৰৰ ৰক্ষাৰ যুঁজত এয়া আম আদমী পাৰ্টীৰ সৰ্বোচ্চ ত্যাগ। তেওঁ লগতে কংগ্ৰেছ নেতৃত্বক ডিব্ৰুগড় আৰু শোণিতপুৰৰ পৰা প্ৰাৰ্থী প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়।

০০০

আসন্ন লোকসভা নিৰ্বাচনৰ ১৩ নম্বৰ ডিব্ৰুগড় লোকসভা সমষ্টিৰ পৰা অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি আজি এখন সংবাদমেলত অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই প্ৰকাশ কৰে। অসম জাতীয় পৰিষদৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৰ্ধিত সভাই সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দলৰ সভাপতি লুৰিণজ্যোতি গগৈক সৰ্বসন্মতিক্ৰমে মনোনীত কৰে। সংবাদমেলত বিৰোধী ঐক্য মঞ্চৰ অন্তৰ্গত ৰাজনৈতিক দলসমূহে নিৰ্বাচনত শ্ৰী গগৈৰ প্ৰতি সহায় আৰু সমৰ্থন আগবঢ়োৱাৰ কথা ব্যক্ত কৰে।

০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পশ্চিম বংগৰ বৰ্ধমান লোকসভা সমষ্টিৰ অন্তৰ্গত নাৰীগাঁৱত অনুষ্ঠিত কৃষক সম্পৰ্ক অভিযানত অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰীদাসে কেন্দ্ৰীয় চৰকাৰে কৃষকসকলৰ হিতাৰ্থে গ্ৰহণ কৰা পিএম কিষাণ আঁচনিকে ধৰি কল্যাণকামী আঁচনিসমূহৰ জৰিয়তে লাভ কৰা

সুবিধাসমূহৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে পশ্চিম বংগত আন কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০

দেশৰ নৱনিযুক্ত নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে আজি কাৰ্যভাৰ গ্ৰহণ কৰে। ভাৰতৰ নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে প্ৰকাশ কৰা মতে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে নিৰ্বাচন সন্দৰ্ভত আয়োজিত এটা অনুষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা নিৰ্বাচন আয়ুক্ত দুগৰাকীক আসন্ন ব্যস্ততাপূৰ্ণ ১২ টা সপ্তাহৰ বাবে আদৰণি জনায়। বিবৃতিটোত প্ৰকাশ পোৱা মতে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ ২০২৪ বৰ্ষৰ লোকসভা নিৰ্বাচন পৰিচালনা কৰাৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগ প্ৰস্তুত হ'বলৈ লোৱাৰ ঐতিহাসিক সময়ছোৱাত নিৰ্বাচন আয়ুক্ত দুগৰাকীয়ে নতুনকৈ কামত যোগদান কৰাটোক মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে গুৰুত্বপূৰ্ণ হিচাপে অভিহিত কৰিছে। শ্ৰী কুমাৰে জানিবলৈ দিয়া মতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাৰে গঠিত এখন পেনেলে কালি গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুক নতুন নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ নিৰ্বাচিত উদ্যোগীসকলক আনুষ্ঠানিকভাৱে বিত্তীয় অনুদান প্ৰদান কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ ড° শৰ্মাই ষ্টাৰ্টআপ উদ্যোগীসকলক ১১ কোটি টকাৰ বিত্তীয় অনুদান প্ৰদান কৰে। আনহাতে, একেটা অনুষ্ঠানতে ৭টা বৃহৎ সংস্থাৰ সৈতে মুঠ ২০৫০ কোটি টকাৰ বিনিয়োগৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ দ্বাৰা আয়োজিত হ'বলগীয়া এই অনুষ্ঠানত ছহেজাৰ ৫০০ গৰাকী উদ্যমী যুৱক-যুৱতীক নিযুক্তি দিয়া হয়।

০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহালে আজি জনতা ভৱনত বানমুক্ত গুৱাহাটী অভিযানৰ বাবে এক উচ্চস্তৰীয় বৈঠকত সভাপতিত্ব কৰে। ৰেলৱে, অইল ইণ্ডিয়া, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণৰ লগতে ৰাজ্য চৰকাৰৰ জলসম্পদ, লোক নিৰ্মাণ, গুৱাহাটী পৌৰ নিগম আদি বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰী সিংহালে বৈঠকত বানমুক্ত গুৱাহাটী অভিযানৰ শেহতীয়া কাম-কাজৰ পৰ্যালোচনা কৰে। ৰাষ্ট্ৰীয় ঘাইপথৰ যোৱাবাট আৰু বৰাগাওঁ অঞ্চলৰ লগতে মহানগৰীৰ কৃত্ৰিম বান প্ৰৱন অঞ্চলসমূহৰ নলা নৰ্দমা পৰিষ্কাৰৰ কাম অব্যাহত ৰাখিবলৈ মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। এইবাৰৰ বাৰিষাত মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰিব নোৱাৰে, সেয়া সুনিশ্চিত কৰিবলৈ প্ৰতি ১৫ দিনৰ অন্তৰালত মিছন ফ্লাড ফ্ৰি পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰিবলৈ তেওঁ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব তথা কামৰূপ মহানগৰ জিলাৰ আয়ুক্তক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়া, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ আয়ুক্তৰ লগতে বানমুক্ত গুৱাহাটী অভিযানৰ লগত জড়িত সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে। আনহাতে আজি বিয়লি মন্ত্ৰী সিংহালে গুৱাহাটীৰ পূৱ শৰণীয়াৰ মূল পথৰ জগদীশ এনক্লেভত গুৱাহাটী জলবোৰ্ডৰ দ্বাৰা মহানগৰীৰ ২০ হাজাৰটা খোৱাপানী সংযোগ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে, ২০২৪ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত গুৱাহাটীৰ বেছিভাগ অঞ্চলতে খোৱাপানী সংযোগ প্ৰদানৰ লক্ষ্যত উপনীত হব পৰা যাব বুলি তেওঁ

আশাবাদী। লোকসভা নিৰ্বাচনৰ  পাছতে অহা মে' মাহত উত্তৰ গুৱাহাটী আৰু জুন মাহত দক্ষিণ গুৱাহাটী পানী যোগান প্ৰকল্প কাৰ্যকৰী হ্‌ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিকাশ যাত্ৰাৰ অংশ হিচাপে আজি হোজাইত কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই হোজাইত নৱনিৰ্মিত ৰে'লৰে উৰণ সেতু মুকলি কৰাৰ লগতে ১২৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কঠিয়াতলী-কামপুৰ-যমুনামুখৰ পৰা ডবকালৈ যোৱা পথৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। জিলাখনৰ ২৬৮ কোটি টকা ব্যয় সাপেক্ষে অন্যান্য ৬টা প্ৰকল্প উদ্বোধন কৰা হয়। ইপিনে, মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ধুবুৰী জিলাত বিলাসীপাৰা পানী যোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰে। তেওঁ জিলাখনত ২২৯ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ৬৯ খন আঁচনিৰ আধাৰশিলা স্থাপন কৰে।

মন্ত্ৰী পীযুষ হাজৰিকাই নগাঁৱত তিনিখন চৰকাৰী আঁচনিৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে নগাঁও নগৰৰ সমীপৰ শেনচোৱা আৰু খুটিকটীয়াত জলসম্পদ বিভাগৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া মথাউৰিৰ আধাৰশিলা স্থাপন কৰে। তেওঁ অনুসূচিত জনজাতি কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা অনুমোদিত আন এখন আঁচনিৰো আধাৰশিলা স্থাপন কৰে।

মন্ত্ৰী সঞ্জয় কিষাণে বিকাশ যাত্ৰাৰ অংশ হিচাপে তিনিচুকীয়াত আজি কেহেং চাহ বাগিচা পথৰ দলং পকীকৰণ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ইটাখুলিত নিৰ্মাণ হ'বলগীয়া আন এখন দলঙৰো পকীকৰণৰ কামৰ আধাৰশিলা স্থাপন কৰে।

ইপিনে, মন্ত্ৰী অজন্তা নেওগে গোলাঘাট জিলাৰ মক্ৰং চাহ বাগিচাত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে ৩ কোটি ৮ লাখ টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভৱন আৰু মক্ৰং চাহ বাগিচাৰ অন্তৰ্গত প্ৰায় ৩ কিলোমিটাৰ পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেশত পেট্ৰ'ল আৰু ডিজেলৰ দাম হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে চৰকাৰৰ শলাগ লৈছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত এই সিদ্ধান্তৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

উল্লেখযোগ্য যে সমগ্ৰ দেশতে ইন্ধনৰ দাম প্ৰতি লিটাৰত দুটকাকৈ হ্ৰাস কৰা হৈছে। এই নতুন নিৰিখ আজি পুৱা ৬ বজাৰ পৰা প্ৰযোজ্য হৈছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে কৈছে যে, ইয়াৰ ফলত উপভোক্তাসকল অধিক ব্যয় কৰিবলৈ সমৰ্থ হ'ব আৰু ডিজেলচালিত সামগ্ৰী কঢ়িওৱা ৫৮ লাখ গধুৰ যান-বাহন, ৬ কোটি চাৰিচকীয়া আৰু ২৭ কোটি দুচকীয়া বাহনৰ পৰিচালন ব্যয় হ্ৰাস পাব।

০০০

সন্দিকৈ মহাবিদ্যালয়ত আজি দ্যা ইনষ্টিটিউচন ইনোভেশ্যন কাউন্সিল এণ্ড আই কিউ এ চিৰ উদ্যোগত বক্তৃতা অনুষ্ঠান আৰু মত-বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। মিডিয়া এণ্ড ষ্টাৰ্ট আপ ইনোভেশ্যনঃ অপচন্স এণ্ড অপৰশ্যুনেটিছ শীৰ্ষক বক্তৃতা অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মা সমল ব্যক্তি হিচাপে উপস্থিত থাকে। মানস প্ৰতীম শৰ্মাই বক্তৃতা অনুষ্ঠানত গণ মাধ্যমৰ ক্ষেত্ৰখনৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।

০০০

ৰাজ্যপাল তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আচাৰ্য্য গুলাব চান্দ কাটাৰিয়াই আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৩১ সংখ্যক সমাৱৰ্তনত অংশগ্ৰহণ কৰে। ৰাজ্যপাল শ্ৰীকাটাৰিয়াই ভাষণ প্ৰসংগত ২০৪৭ চনৰ ভিতৰত ভাৰতক বিশ্বগুৰু কৰাৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা আৰু জ্ঞানেৰে বিশ্ব জয় কৰিবলৈ আহ্বান জনায়। সমাৱৰ্তনত ভাৰতৰ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক ৰাজীৱ আহুজাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত আহুজাই ডিগ্ৰী লাভ কৰা সকলো শিক্ষাৰ্থীক সমাজৰ ৰূপান্তৰৰ স্বাৰ্থত কাম কৰিবলৈ আহ্বান জনায়। আজিৰ এই সমাৱৰ্তনত ৫৪ হাজাৰ ৮৮০ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী আৰু ডিপ্ল'মা প্ৰদান কৰা হয়। এই অনুষ্ঠানতে গণিতক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা গণিতজ্ঞ ড০ তাৰকেশ্বৰ চৌধুৰীক **ডক্টৰ অৱ চাইন্স** ডিগ্ৰীৰে সন্মানিত কৰা হয়। একেদৰে, সংগীত শিল্পী ৰমেন বৰুৱা আৰু দেশৰ প্ৰথম মহিলা মাউট পাৰ্বতী বৰুৱাক **ডক্টৰ অৱ ফিলোচফি** সন্মান প্ৰদান কৰা হয়।

০০০

ড০ বাবুলাল আহুজাই আজি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপচাৰ্য্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ড০ আহুজাই পঞ্জীয়ক ড০ চুবুং বসুমতাৰী আৰু অন্যান্য অধ্যাপকসকলৰ উপস্থিতিত ভাৰপ্ৰাপ্ত উপাচাৰ্য্য অধ্যাপক পি কে পাত্ৰৰ পৰা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ দায়িত্ব গ্ৰহণ কৰে। সদৌ বড়ো ছাত্ৰ সন্থা আৰু বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলে ড০ আহুজাক আদৰণি জনায়।

০০০

চিৰাং জিলাৰ বাসুগাঁও চহৰত নিৰ্মিয়মান ৩০ খন বিচনাযুক্ত চিকিৎসালয়খন আজি বিয়লি বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে' মুকলি কৰে। চিকিৎসালয়খন মুকলি কৰি সদস্যগৰাকীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে, এই চিকিৎসালয়খনে বাসুগাওঁ অঞ্চলৰ জনসাধাৰণক উন্নত চিকিৎসাৰ সুবিধা প্ৰদান কৰিব। আজিৰ অনুষ্ঠানত বিটিচিৰ স্বাস্থ্য সঞ্চালক ডাঃ উমেশ ফাংছুই বিটিচিৰ স্বাস্থ্য সেৱা বিভাগৰ খতিয়ান দাঙি ধৰাৰ লগতে ৰাষ্ট্ৰীয় গ্ৰামীন অভিযানৰ জৰিয়তে চিকিৎসালয়খন সক্ৰিয় কৰি তোলা হব বুলি প্ৰকাশ কৰে।

০০০

নাগালেণ্ডত অহা ১৮ মাৰ্চৰ পৰা হ'বলগীয়া তৃতীয় উত্তৰ-পূব ক্ৰীড়া সমাৰোহত অসমৰ প্ৰায় ৩৭০ জনীয়া এটা বৃহৎ দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিবলগীয়া খেলুৱৈসকলক আজি কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালে শুভেচ্ছা জ্ঞাপন কৰে। এইবাৰ অসমে পদক জয়ৰ নতুন অভিলেখ গঢ়িব বুলিও তেওঁ আশা প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খেল' ইণ্ডিয়া আৰু টাৰ্গেট অলিম্পিক পডিয়াম আঁচনিৰ জৰিয়তে দেশৰ ক্ৰীড়া প্ৰতিভা বিকাশ তথা ক্ৰীড়াবিদক নতুন সুযোগ-সুবিধা প্ৰদান কৰাৰ পাছত এতিয়া খেল' ইণ্ডিয়াত পদক জয়ী খেলুৱৈসকলক কেন্দ্ৰীয় চৰকাৰে চাকৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰেও ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক বিজয়ী খেলুৱৈক বিভিন্ন বিভাগত নিযুক্তি দি উৎসাহিত কৰি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ এই পদক্ষেপে ৰাজ্যৰ যুৱক-যুৱতীসকলক ক্ৰীড়াৰ জৰিয়তে লক্ষ্যত উপনীত হোৱাৰ সপোন পূৰ্ণ কৰাৰ লগতে আত্মনিৰ্ভৰ কৰি তুলিব বুলি শ্ৰী সোণোৱালে আশা প্ৰকাশ কৰে।

০০০

গুৱাহাটীত অনুষ্ঠিত আৰ ই চি পূব মণ্ডল ৰাষ্ট্ৰীয় মুকলি প্ৰতিভা সন্ধানী বক্সিং প্ৰতিযোগিতাৰ যুৱ আৰু এলিট শাখাত অসমৰ ৭ গৰাকী খেলুৱৈ ছেমি ফাইনেলত প্ৰৱেশৰ পদক নিশ্চিত কৰিছে। প্ৰতিযোগিতাখনৰ আজি মহিলা এলিট শাখাৰ লগতে ল'ৰাৰ যুৱ শাখাৰ কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হয়। মহিলাৰ এলিটৰ ৫২ কিলোগ্ৰাম ওজন শাখাত অসমৰ ভূপালীয়ে দিল্লীৰ চিমৰণক পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অসমৰ আন এগৰাকী খেলুৱৈ আৰতীয়ে সতীৰ্থ প্ৰিয়া বসুমতাৰীক পৰাস্ত কৰি ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে। একেই ওজন শাখাৰ আন এখন কোৱাৰ্টাৰ ফাইনেলত অসমৰ মঞ্জু বসুমতাৰীয়ে হাৰিয়ানাৰ প্ৰীতিক পৰাস্ত কৰে। ইপিনে, ল'ৰাৰ যুৱ শাখাত ৰাহিদুৰ ৰহমান, জুনাইদ আনন্দ, যুৱৰাজ যাদৱ আৰু নিৰ্বাণজ্যোতি গগৈ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০

গোৱালপাৰা জিলাৰ বাইদা ৰাজহুৱা খেলপথাৰত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত নিখিল ৰাভা ছাত্ৰ সন্থা আৰু নিখিল ৰাভা মহিলা পৰিষদৰ কেন্দ্ৰীয় অধিবেশনৰ আজি নিশা সামৰণি পৰিব। আজি কাৰ্যসূচীৰ অন্তিম দিনা পুৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱাৰ পাছত বিয়লিৰ ভাগলৈ অনুষ্ঠিত হোৱা মুকলি সভাত অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ বিভিন্ন দল সংগঠনৰ লগতে ছাত্ৰ সংগঠনসমূহৰ ভালেসংখ্যক নেতা উপস্থিত থাকে। সভাত ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই সভাৰ উদ্বোধনী ভাষণত কয় যে, ৰাভা হাচঙক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰে কেবিনেটত সিদ্ধান্ত গ্ৰহণৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে।

০০০

০০০

সমাপ্ত